ইণ্ডিয়া ফাউণ্ডেচন ফৰ দা আৰ্টচ্ (আই.এফ.এ.)য়ে

ভিণ্টেজ হাব, যোৰহাটৰ

সহযোগত

আৰ্কাইভ আৰু মিউজিয়াম কাৰ্য্যসূচীৰ অধীনত

আই.এফ.এ.-ভিণ্টেজ হাব গৱেষণামূলক আৰু সৃষ্টিশীল প্ৰকল্পৰ বাবে

আবেদন আহ্বান কৰিছে

সময়সীমা: ১৭ ডিচেম্বৰ, ২০২৫

অধিক জানিবলৈ ritwika@indiaifa.org লৈ লিখক নাইবা

সাক্ষাৎ কৰক www.indiaifa.org

আই.এফ.এ. (IFA)-ই অসমৰ যোৰহাটস্থিত ভিণ্টেজ হাবৰ সহযোগত, আমাৰ আৰ্কাইভ আৰু মিউজিয়াম কাৰ্যসূচীৰ অধীনত, "আই.এফ.এ.-ভিণ্টেজ হাব গৱেষণামূলক আৰু সৃষ্টিশীল প্ৰকল্প" (**IFA-Vintage Hub Creative and Scholarly Projects**)ৰ বাবে আবেদন আহ্বান কৰিছে। এই কাৰ্যসূচীৰ দুটা প্ৰধান উদ্দেশ্য হৈছে— কলা-অনুশীলনকাৰী আৰু গৱেষকসকলক নতুন, সমালোচনামূলক আৰু সৃষ্টিশীল দৃষ্টিভংগীৰে জনসাধাৰণক আৰ্কাইভ আৰু মিউজিয়ামৰ সংগ্ৰহসমূহৰ সৈতে জড়িত কৰাৰ সুযোগ প্ৰদান কৰা। আৰু দ্বিতীয়তে, এই আৰ্কাইভ আৰু মিউজিয়ামক যুক্তি আৰু আলোচনাৰ মঞ্চ হিচাপে পুনৰুজ্জীৱিত কৰি তোলা। এই কাৰ্যসূচীৰ অধীনৰ পূৰ্বৰ প্ৰকল্পসমূহৰ বিষয়ে ইয়াতে ক্লিক কৰি পঢ়িব পাৰিব।

ভিণ্টেজ হাবৰ বিষয়ে

অসমৰ যোৰহাট চহৰৰ মাজমজিয়াত অৱস্থিত ভিণ্টেজ হাব এক বিশেষ সাংস্কৃতিক স্থান য'ত একেঠাইতে আছে বিভিন্ন ধৰণৰ ব্যৱস্থা: এটা আৰ্কাইভ, এটা গেলেৰী, এখন গ্ৰন্থবিপণি, কেফে আৰু প্ৰকাশন গোট। ভিণ্টেজ হাবৰ ঘাই উদ্দেশ্য হ'ল যোৰহাট আৰু অসমৰ ইতিহাসৰ সৈতে জড়িত সমল সংৰক্ষণ আৰু বহুল প্ৰচাৰ কৰা, যিবোৰ সকলোৰে বাবে মুকলি আৰু গৱেষক তথা সাধাৰণ ৰাইজ উভয়ে তাৰ সুবিধা লাভ কৰিব পাৰে।

সংগ্ৰহৰ বিষয়ে

ভিণ্টেজ হাবে লিখিত-অলিখিত যোৰহাটৰ অলেখ ইতিহাসক একত্ৰিত কৰাৰ উদ্দেশ্যে চহৰখনৰ সৈতে বিজড়িত বৈচিত্ৰতাৰে ভৰপূৰ একাধিক সামগ্ৰী আৰু বয়-বস্তু সংৰক্ষণৰ ব্যৱস্থা কৰিছে। 'যোৰহাট' নামটোৰ উৎপত্তিয়েই হৈছে এসময়ত ওচৰা-উচৰিকৈ থকা দুখন হাট বা বজাৰৰ পৰা। এই দুখন বজাৰ, চকীহাট আৰু মাছৰহাট এতিয়া নাই। কিন্তু সেই হাট দুখনৰ গাঢ় সম্পৰ্ক আজিও অন্য এক ধৰণে অটুট আছে বুলিব পাৰি। সকলোকে একত্ৰিত কৰাৰ যি ধাৰণা তেতিয়া সেই বজাৰ দুখনে দিলে, সি এক বোৱঁতী সোঁত হৈ পৰিল। বিভিন্ন পন্থা, ভাব-চিন্তা তথা সংস্কৃতিৰ মিলনস্থলী হোৱাৰ যি আদৰ্শ, সি বাধাহীনভাৱে বৈ থাকিল। ঐতিহাসিকভাৱে যোৰহাট

আছিল চৌদিশে থকা পাহাৰ বগাই ফুৰা ব্ৰিটিছ অভিযানকাৰী দল, খ্ৰীষ্টান মিছনেৰি আৰু আন অগণন পৰিব্ৰাজকৰ বাবে মাজৰ জিৰোৱা আৰু চিন্তাৰ অৱকাশ দিয়া ঠাই। এনেদৰে যোৰহাটত ন চিন্তা আৰু দৰ্শনে জীপ পালে। তাৎপৰ্য্যপূৰ্ণ যে এই চহৰেই আছিল আহোমৰ শেষ ৰাজধানী। তাৰ সমান্তৰালভাৱে যোৰহাট অসমৰ চাহ উদ্যোগৰো কেন্দ্ৰস্থল হৈ উঠে।

বৰ্তমান, ভিন্টেজ হাবে ১৮৮৫ চনৰ পৰা ফটোগ্ৰাফিক ৰেকৰ্ড, চহৰ আৰু ইয়াৰ বাসিন্দাসকলৰ বিষয়ে গ্ৰন্থ, দুৰ্লভ বস্তু আৰু বংশানুক্ৰমিক সামগ্ৰী, ঐতিহাসিক মানচিত্ৰ, আৰু সৰ্বস্তৰৰ ৰাইজৰ সহায়-সহযোগত লাভ কৰা অন্যান্য সামগ্ৰী সংৰক্ষণ কৰি আছে। ইয়াৰ উপৰিও ভিন্টেজ হাবত থকা শ্ৰাব্য-দৃশ্য সামগ্ৰীৰ আৰ্কাইভ চহৰখনৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ দলিল হৈ পৰিছে।

সৃষ্টিশীল আৰু গৱেষণামূলক প্ৰকল্পৰ পৰিসৰৰ বিষয়ে

চহৰবোৰ কেৱল ইতিহাসৰ স্থান আৰু পটভূমি নহয়, চহৰবোৰ হৈছে এনে স্থান য'ত নেকি ইতিহাসৰ নিৰ্মোহ বিশ্লেষণৰ ব্যৱস্থাও বিৰাজমান। বিগত সময়ছোৱাত চহৰবোৰৰ নাম সলনি কৰা আৰু ইতিহাস পুনৰাই লিখিবলৈ স্বাৰ্থান্বেষী মহলে চলাই যোৱা প্ৰচেষ্টাৰ এই সময়ত আমি গৱেষক, সংগ্ৰাহক, কিউৰেটৰ, ডিজাইনাৰসকলক আমন্ত্ৰণ জনাইছো, যাতে তেওঁলোকে নথিপত্ৰ, চিঠি, ফটো, স্থাপত্য সম্পদ আৰু ব্যক্তিগত স্মৃতিচিহ্নৰ মাজেৰে যোৰহাটবাসীৰ সজীৱ অভিজ্ঞতাৰ অলেখ তথ্য-প্ৰমাণ সংগ্ৰহ, অনুসন্ধান আৰু প্ৰকাশ কৰি এক জীৱন্ত দলিল হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

ভিন্টেজ হাবৰ সম্পূৰ্ণ সংগ্ৰহ আৰু সম্পদ এই প্ৰকল্পসমূহৰ বাবে ব্যৱহাৰ কৰিব পৰাকৈ বিশেষ ব্যৱস্থা কৰা হৈছে। ভিন্টেজ হাবত উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰি কাম কৰাৰ লগতে যোৰহাটৰ বিভিন্ন আৰ্কাইভ, মৌখিক ইতিহাস আৰু লোক-কথাৰ গভীৰ অন্বেষণ কৰি বিদ্যায়তনিক গৱেষণাক এক পাৰস্পৰিকভাৱে ক্ৰিয়াশীল **(**ইন্টাৰেক্টিভ**)** আৰু সকলোৰে বোধগম্য হোৱা এক সৰল ৰূপৰ শৈক্ষিক সমল হিচাপে গঢ়ি তুলিবলৈ বিচৰা আবেদনকাৰীসকলক আমি স্বাগতম জনাইছো।

আমি এনে প্ৰকল্পৰ সন্ধান কৰিছো য'ত আন্তঃশাখাযুক্ত **(**ইন্টাৰডিচিপ্লিনেৰি**)** তথা সহযোগিতামূলক চিন্তা, দৃষ্টিভংগী আৰু পদ্ধতি প্ৰয়োগ কৰা হ'ব। অসমীয়া ভাষাৰ জ্ঞান থকা, দ্বিভাষিক ক্ষেত্ৰত কাম কৰিবলৈ ইচ্ছুকসকলৰ পৰা আমি আবেদন আশা কৰিছো।

গৱেষণামূলক প্ৰকল্প **(Scholarly Projects)**ৰ বাবে আমি এনে প্ৰকল্প বিচাৰিছো য'ত

- মৌখিক ইতিহাসকেন্দ্ৰীক কাৰ্য্যসূচী অন্তৰ্ভুক্ত কৰা হ'ব নাইবা চহৰখনৰ কম অন্বেষিত আৰু অখ্যাত দিশসমূহৰ জীৱন্ত অভিজ্ঞতা আৰু চমু আখ্যান ধৰি ৰখা ধাৰাসমূহ দৃশ্য-শ্ৰাব্যৰ জৰিয়তে নথিবদ্ধকৰণ কৰা হ'ব।
- গৱেষণালব্ধ ফলাফল পডকাষ্ট, অডিঅ' গাইড, অডিঅ'-ভিজুৱেল ৰেকৰ্ডিং, ডিজিটেল মেপিং আৰু আন অনলাইন আৰু/বা অফলাইন মাধ্যমেৰে উপস্থাপন কৰা হ'ব

সৃষ্টিশীল প্ৰকল্প**(Creative Projects)**ৰ বাবে আমি এনে প্ৰকল্প বিচাৰিছো য'ত

- তত্বাৱধানৰ নব্য পদ্ধতি আৰু ন কলাত্মক পদক্ষেপেৰে দৃশ্যগত দিশত আকৰ্ষণীয় ৰূপত আৰ্কাইভৰ সংগ্ৰহৰ সৈতে মৌখিক ইতিহাসৰ প্ৰাপ্ত ফলাফলক চহৰৰ অতীতৰ বিৰল আলোকচিত্ৰ, ব্যক্তিগত চিঠি,

চৰকাৰী নথি, মানৱ-নিৰ্মিত বস্তু আৰু তাৰ নিৰ্মাণৰ ঐতিহ্যৰ শিপা অনুসন্ধানৰ সন্মিলনেৰে প্ৰকাশন কৰা হ'ব।

- এক ৰাজহুৱা প্ৰদৰ্শনী আৰু তাৰ তত্বাৱধানৰ ব্যৱস্থা থাকিব, যি প্ৰদৰ্শনীত যোৰহাটক গঢ় দিয়া ঐতিহাসিক পট-পৰিৱৰ্তনকাৰী ঘটনা-পৰিক্ৰমাক আগত ৰাখি কাহিনী, কণ্ঠ আৰু সামগ্ৰী য'ত সামূহিক স্মৃতি জড়িত হৈ আছে, তাক গুৰুত্বসহকাৰে উপস্থাপন কৰা হ'ব।
- কেটেলগ প্ৰস্তুতি, অনলাইন ৰিপ'জিটৰি, দৰ্শকে অংশগ্ৰহণ কৰিব পৰা কাহিনী, গাইডসহ ভ্ৰমণৰ যোগেদি সংগ্ৰহটোক লৈ জনসাধাৰণৰ মাজত সচেতনতা আৰু আগ্ৰহ বঢ়োৱা আৰু অফলাইন তথা অনলাইন ৰাজহুৱা কাৰ্য্যসূচীৰ যোগেদি আকাংক্ষিত ফলাফলৰ বহুল প্ৰচাৰ কৰা হ'ব

প্ৰকল্প সমন্বয়ক সকলে সক্ৰিয় ক্ষেত্ৰকৰ্মৰ অংশ হিচাপে যোৰহাটৰ ভিণ্টেজ হাব আৰু যোৰহাট চহৰত থাকি সংগ্ৰহ সমূহৰ ওপৰত গৱেষণা কৰিব লাগিব আৰু সমালোচনাত্মক দৃষ্টিভংগীৰে জড়িত হ'ব লাগিব। প্ৰকল্পৰ সময়চোৱাত প্ৰকল্প সমন্বয়কসকলৰ বাবে ওপৰত উল্লিখিত সমলসমূহ উপলব্ধ হ'ব লাগিব। গৱেষণাৰ বাবে উপলব্ধ সংগ্ৰহ আৰু সামগ্ৰীৰ বিষয়ে অধিক তথ্য লাভ কৰিবলৈ হ'লে অনুগ্ৰহ কৰি অভিনিৱেশ শৰ্মা আৰু অনুব্ৰত শৰ্মাক এইটো ইমেইল ঠিকনাত যোগাযোগ কৰিব পাৰে - vintageassam@gmail.com

প্ৰকল্পৰ সময়সীমা: ১৫ মাহলৈ

বাজেট

- প্ৰকল্পৰ নামত ব্যয় কৰিবলগীয়া ৰাশি ৩,০০,০০০ লাখ টকাৰ অধিক হ'ব নালাগিব।
- আপুনি পাৰিতোষিক হিচাপে সমগ্ৰ প্ৰকল্পৰ সময়চোৱাত প্ৰস্তাৱিত বাজেটৰ সৰ্বাধিক ৩৫ শতাংশৰ বাবে অনুৰোধ জনাব পাৰে। এই পাৰিতোষিক প্ৰকল্পৰ বাবে নিৰ্ধাৰিত মূল ধনৰাশিৰ অন্তৰ্গত হ'ব।

পুঁজিয়ে কেৱল প্ৰকল্প সম্পৰ্কিত ব্যয় আৰু কাৰ্য্যকলাপহে সামৰি ল'ব। আন্তঃগাঁথনিমূলক ব্যয় বা সা-সঁজুলি ক্ৰয়ৰ ব্যয় তাত অন্তৰ্ভুক্ত কৰা নহ'ব।

কোনে আবেদন কৰিব পাৰিব ?

এই কাৰ্য্যসূচীৰ বাবে কিউৰেটৰ, গৱেষক, ডিজাইনাৰ, শিল্পী, কলা-শিক্ষক, লিখক আৰু আন সকলো সৃষ্টিশীল কৰ্মৰ সৈতে জড়িত ব্যক্তি আৰু বিদ্বান লোকে আবেদন পঠিয়াব পাৰিব। আবেদনকাৰী গৱেষণাৰ সৈতে জড়িত থকাৰ লগতে মিউজিয়াম/আৰ্কাইভৰ সংগ্ৰহৰ ওপৰত গভীৰ আগ্ৰহ থকাটো আৱশ্যক।

অৰ্হতা

- কেৱল ভাৰতীয় নাগৰিকে আবেদন কৰিব পাৰিব। এইক্ষেত্ৰত ভাৰতীয় মূলৰ ব্যক্তি আৰু প্ৰৱাসী ভাৰতীয় নাগৰিক পত্ৰ থকা ব্যক্তিৰ আবেদন বিবেচনা কৰা নহ'ব।
- আবেদনকাৰীৰ পেন কাৰ্ড থাকিব লাগিব আৰু ভাৰতীয় পাৰপত্ৰ, বা আধাৰ কাৰ্ড বা ভাৰতীয় ভোটাৰ পৰিচয় পত্ৰ, এই তিনিখনৰ কোনোবা এখন পৰিচয় পত্ৰ হিচাপে দিব লাগিব।
- কেৱল এজন ব্যক্তিয়েহে আবেদন কৰিব পাৰিব। কোনো ধৰণৰ অনুষ্ঠান বা সংস্থাই নোৱাৰিব।

- প্ৰকল্পত যদি কোনো সহযোগী থাকে, সেইজনো ভাৰতীয় নাগৰিক হ'ব লাগিব।
- আই.এফ.এ.ৰ সৈতে পূৰ্বতে বিত্তীয় লেনদেনত খেলিমেলি থকা ব্যক্তি এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- পূৰ্বৰ আই.এফ.এ. অনুদানৰ দ্বাৰা সমৰ্থিত প্ৰকল্পৰ ক্ষেত্ৰত দাখিল কৰিবলগীয়া কোনো প্ৰদেয় যদি আগতে কোনো ব্যক্তিয়ে দিয়াত অপাৰগ হৈছিল, তেনে ব্যক্তিক এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- পূৰ্বতে আই.এফ.এ.য়ে নাম প্ৰত্যাখ্যান কৰা পত্ৰ লাভ কৰা ব্যক্তিয়ে কোনো কাৰণত এই প্ৰকল্পৰ বাবে বিবেচনা কৰা নহ'ব।
- আই.এফ.এ.ৰ অধীনত বৰ্তমান প্ৰকল্প ৰূপায়ণত জড়িত হৈ থকা ব্যক্তিৰ আবেদন বিবেচনা কৰা নহ'ব।
- একাধিক ব্যক্তিয়ে আবেদন কৰিব পাৰিব যদিহে তেওঁলোকৰ যুটীয়া খাতা আছে। যদি নাই, তেনেহ'লে তেওঁলোকৰ মাজৰ এজনে আনজনক সহযোগী হিচাপে লৈ আবেদন কৰিব।

আবেদন দাখিলৰ ক্ষেত্ৰত পৰামৰ্শৱলী

আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত প্ৰস্তাৱ লিখিব পাৰিব।

এটামাত্ৰ মেইলতে নিম্নোক্ত বিৱৰণসহ আপোনাৰ প্ৰস্তাৱ আমালৈ পঠিয়াওক:

- এটা প্ৰকল্প প্ৰস্তাৱ - য'ত থাকিব প্ৰকল্পৰ চমু বিৱৰণ (আহ্বানত যিদৰে বিচৰা হৈছে)। লগতে থাকিব লাগিব ওপৰত উল্লিখিত দৃশ্যগত (ভিজুৱেল) বা পাঠভিত্তিক (টেক্সুৱেল) সামগ্ৰীলব্ধ সৃষ্টিশীল ফলাফলৰ চমু আভাস, নাইবা গৱেষণাৰ প্ৰশ্ন যদিহে সেয়া গৱেষণামূলক প্ৰকল্প হয়। বিৱৰণত কৰ্ম-আঁচনি, কিদৰে তাক বাস্তৱায়িত কৰা হ'ব আৰু তাৰ সাম্ভাব্য ফলাফল কি হ'ব – এই আটাইখিনি থকা উচিত।
- প্ৰস্তাৱিত ফলাফলৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰিব পৰা ৰাজহুৱা কাৰ্যসূচীৰ ওপৰত এটা চমু টোকা
- প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজন হোৱা সময় ভাগ ভাগকৈ দৰ্শোৱা সময়ৰেখা
- বাজেটৰ বিশদ বিৱৰণ।
- কিউৰেটৰ, শিল্প অনুশীলনকাৰী বা গৱেষক হিচাপে আপুনি জড়িত থকা প্ৰকল্পৰ চমু বিৱৰণসহ আপোনাৰ চিভি (cv)। এই বৰ্ণনাত প্ৰকল্পটোৰ কৰ্ম-আঁচনি, প্ৰক্ৰিয়া আৰু প্ৰকল্পৰ ফলাফল থাকিব লাগিব। এট্টাচমেণ্ট হিচাপে নপঠিয়াই আমালৈ লিংক থকা ডকুমেণ্ট হিচাপে নথিবোৰ পঠিয়াব।

আপোনাৰ আবেদন আৰু কিবা সুধিবলগীয়া থাকিলে অনুগ্ৰহ কৰি ৰিত্বিকা মিশ্ৰালৈ ritwika@indiaifa.org এইটো ইমেইল ঠিকনাত চাবজেক্ট লাইনত "আই.এফ.এ.-ভিণ্টেজ হাব প্ৰকল্পৰ বাবে আবেদন" বুলি লিখি মেইল কৰক

গুৰুত্বপূৰ্ণ তাৰিখসমূহ:

- আবেদন গ্ৰহণৰ অন্তিম তাৰিখ: ১৭ ডিচেম্বৰ, ২০২৫
- বিবেচিত প্ৰাৰ্থীৰ সাক্ষাৎকাৰ: ২০২৬ৰ জানুৱাৰী
- প্ৰকল্প ২০২৬ৰ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব আৰু ১৫ মাহ চলিব।

আই.এফ.এ.য়ে আপোনাৰ সৈতে পোনপটীয়াকৈ প্ৰকল্প সমন্বয়ক হিচাপে এই প্ৰকল্প ৰূপায়ণ কৰিব।

অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি সকলোৰে সমান সহযোগ, সন্মান আৰু সুৰক্ষা লাভ কৰিৰ পৰা এক নিৰাপদ পৰিৱেশ সৃষ্টিৰ বাবে আই.এফ.এ. সদায়েই প্ৰতিশ্ৰুতিবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ন ৰাখিব লাগিব।

***আৰ্কাইভ আৰু মিউজিয়াম কাৰ্য্যসূচী টাটা ট্ৰাষ্টৰ দ্বাৰা সমৰ্থিত।***